# ঈশ্বৰ কেনেকুৱা তাক বুজাবলৈ যীচুৱে গল্পবোৰ ব্যৱহাৰ কৰিছিল

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন S7b পঢ়া উচিত।

**১। যীচুৰ গল্পৰ পৰা ঈশ্বৰক জানিবলৈ আপোনাৰ অন্তৰ প্ৰস্তুত কৰক।**

প্ৰিয় পিতা, জগতলৈ শুভবাৰ্তা আনিবলৈ যীচুক পঠোৱা কাৰণে আপোনাক ধন্যবাদ। আপোনাৰ বাৰ্ত্তা বুজাত সহায় হবলৈ তেওঁৰ গল্পবোৰৰ বাবে ধন্যবাদ। এই গল্পবোৰ আন লোকৰ আগত কবলৈ আমাক সহায় কৰক।



যীচু আছিল পৃথিবীৰ আটাইতকৈ কাৰ্য্যকৰী বাৰ্ত্তাবাহক। তেওঁৰ বাৰ্ত্তাবোৰ বুজিবলৈ, যীচুৱে সত্য কাহিনীবোৰ আৰু সৰ্বসাধাৰণ লোকৰ জীৱনৰ দৈনন্দিন কাৰ্য্যবোৰ উদাহৰণস্বৰূপে ব্যৱহাৰ কৰিছিল। যীচুৱে কাহিনীবোৰ ব্যৱহাৰ কৰিছিল, কাৰণ সাধাৰণ লোকৰ বাবে সেয়ে বুজাত মনত ৰখা সহজ। তেওঁৰ কাহিনীবোৰে সত্যতা সৰবৰাহ কৰিছিল আৰু সেয়ে লোকবিলাকে সেইবোৰ আগ্ৰহেৰে নিজৰ পৰিয়াল আৰু বন্ধুবৰ্গলৈ দিছিল। শুভবাৰ্তা অতি সোনকালে যিহূদীসকলৰ মাজতে ব্যাপি গৈছিল। তলত কেইটামান সত্যতা দিয়া হ'ল যিবোৰে যীচুৰ কাহিনীবিলাক আমালৈ প্ৰকাশ কৰে।

- ঈশ্বৰে প্ৰায়ে অতি ৰহস্যজনক ভাবে কাম কৰে। গছ-গছনিৰ বৃদ্ধি আৰু আন কিছুমান বস্তুৰ ৰহস্য যিবোৰ মানুহে সহজে বুজিব পাৰে সেইবোৰৰ লগত যীচুৰ গল্পবোৰ তুলনা কৰা হয়।
- মানুহে ভবা দুৰ্বল আৰু গুৰুত্ব নিদিয়া বিষয়ৰ লগত ঈশ্বৰে কাৰ্য্য কৰে।
- আন অনেক ধৰ্ম্মীয় বাৰ্ত্তাবোৰৰ দৰে যীচুৰ বাৰ্ত্তাবোৰ একেবাৰে সজীৱ আৰু শক্তিশালী।
- ঈশ্বৰে আমাক বিচাৰে বুলি যীচুৱে কয়। আমাৰ পাপৰ পৰা তেওঁ আমাক ৰক্ষা কৰিবলৈ ইচ্ছা কৰে।
- আমি মন পালটন আৰু তেওঁত বিশ্বাস কৰিলে ঈশ্বৰে যীচুৰ যোগেদি আমাক ৰক্ষা কৰে।
- ঈশ্বৰে আমাক কাম কৰিবলৈ দিছে। তেওঁক ভয়েৰে নহয়, কিন্তু আনন্দেৰে তেওঁৰ পৰিচৰ্য্যা কৰা তেওঁ ইচ্ছা কৰে।
- তেওঁৰ পৰিচৰ্য্যা কৰাসকলক মহানভাবে পুৰস্কাৰ আৰু তেওঁ অমান্য কৰা সকলক তেওঁ শাস্তি দিব।

তলত দিয়া গল্পৰ ছয়টা উদাহৰণবোৰ অনুগ্ৰহ কৰি পঢ়ক, যাৰ যোগেদি যীচুৱে তেওঁৰ ৰাজ্যৰ সত্যতা প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰিছিল। প্ৰত্যেকবাৰ একোটা গল্প পঢ়োতে, তাক বুজাত সহায় কৰিবলৈ ঈশ্বৰৰ সহায় বিচাৰক। প্ৰতিটো গল্পত ঈশ্বৰক বুজাত সহায় কৰা কিবা বিষয় আৰু আপুনি কি কৰা তেওঁৰ ইচ্ছা, সেই কথা বিচাৰি চাওঁক।

**মথি ১৩:৩১-৩৫** চাওঁক, এটা সৰিয়হ গুটিৰ পৰা আপুনি কি জনাটো ঈশ্বৰৰ ইচ্ছা ঃ

- খমিৰ আৰু সৰিয়হ গুটিয়ে কি বুজায়?
- ঈশ্বৰৰ ৰাজ্য কেনেকৈ আৰম্ভ হয় আৰু ইয়াৰ বৃদ্ধি হলে কি হয়?

**লূক ৫:৩৬-৩৮**ত চাওঁক, এটা পুৰণি চোলা আৰু এটা পুৰণি বটলৰ গল্প ঃ

- নতুন টাপলি আৰু নতুন দ্ৰাক্ষাৰসে কি বুজায়?
- যীচুৰ বাৰ্ত্তা আৰু আন ধৰ্মীয় বাৰ্ত্তাবোৰ কেনেকৈ তুলনা কৰা হয়?

**লূক ১৫:৮-১০** পদত চাওঁক, এটা হেৰুৱা আধলিৰ গল্প ঃ

- তিৰোতা গৰাকী আৰু হেৰুৱা আধলিয়ে কাক বুজায়?
- হেৰুৱাজনক কিমান একাগ্ৰতাৰে যীচুৱে বিচাৰিলে আৰু সেইবোৰ বিচাৰি পাই তেওঁ কি কৰিছিল?

**লূক ১৮:১০-১৪** পদত চাওঁক, অনুতাপ কৰা কৰতোলাৰ গল্প ঃ

- ফৰীচীবিলাকৰ ভাব ধাৰাই ঈশ্বৰক কিয় সন্তোষ্ট কৰা নাছিল।
- কেনেকৈ আমি ঈশ্বৰৰ ওচৰ চপা উচিত।

**মথি ২৪:৪৫-৫১** পদত চাওঁক, বিশ্বাসযোগ্য দাসৰ গল্প ঃ

- বিশ্বাসযোগ্য দাসে কাক বুজায় আৰু তেওঁৰ কামে কি বুজায়?
- আমি কি ভাব ধাৰাৰে ঈশ্বৰৰ পৰিচৰ্য্যা কৰোঁ?

**মথি ২৫:১-১৩** পদত চাওঁক, এখন বিবাহৰ ভোজৰ গল্প ঃ

- বিশ্বাসযোগ্যৰূপে খ্ৰীষ্টৰ পৰিচৰ্য্যা কৰা সকলৰ নিমিত্তে কি ৰৈ আছে আৰু তেওঁৰ পৰিচৰ্য্যা কৰিব নোৱাৰা সকলৰ নিমিত্তে কি ৰৈ আছে?
- বিবাহৰ ভোজে কি বুজায়। (অধিক সহায়ৰ বাবে প্ৰাকাশিত বাক্য ১৯:১-১০ চাওঁক)

ঈশ্বৰৰ সত্যতাক বুজাবলৈ আমিও বাইবেলৰ নতুন আৰু পুৰণি নিয়মৰ গল্পবোৰ কোৱা উচিত। গল্পবোৰ পঢ়িব, কব, গীতেৰে গাব, নাটকৰ মাধ্যমে দেখুৱাব অথবা ছবিবোৰ দেখুৱাব পাৰি।

**২। সপ্তাহটোত কৰিবলগীয়া বিষয়বোৰৰ আলোচনা সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

- খ্ৰীষ্টত বিশ্বাসী সকলক আৰু খ্ৰীষ্টক নজনা লোকসকলক পৰিদৰ্শন কৰক। তেওঁবিলাকৰ প্ৰয়োজনৰ লগত সম্বন্ধ থকা বিষয়বোৰৰ গল্প পুৰণি আৰু নতুন নিয়মৰ পৰা কওক। এই গল্পবোৰত থকা সত্যবোৰ অভ্যাসত পৰিণত কৰিবলৈ আপোনাক আৰু শুনোতাবিলাকক সহায় কৰিবলৈ ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰক।
- ল'ৰা-ছোৱালীক শিকোৱা আন লোকক লগ ধৰক আৰু যীচুৱে কোৱা আৰু বাইবেলৰ আন আন গল্পবিলাক কোৱাত সহায় কৰাৰ আঁচনি কৰক। লৰা-ছোৱালীক আবৃতি, নাটক অথবা গল্পৰ গীতবোৰ গাবলৈ দিয়ক। তেওঁলোকে সেইবোৰৰ ছবি আৰু পদ্যবোৰ লিখিব পাৰে।
- বাইবেলৰ গল্পবোৰ কোৱা আৰু আনক শিকোৱাত কেনেদৰে সহায় কৰিব আপোনাৰ সহকৰ্ম্মী সকলৰ লগত আলোচনা কৰক। আপোনাৰ সংস্কৃতিৰ লোকে শুভবাৰ্তা বুজিবলৈ উত্তম ভাবে সহায় হোৱা গল্পবোৰ বাচি লব। বাইবেলৰ গল্প কোৱা প্ৰশিক্ষণৰ সজুলি আৰু শুভবাৰ্তাৰ সজুলিবোৰ ব্যৱহাৰ কৰক।
- তেওঁলোকৰ বন্ধুবৰ্গক আৰু উপাসনাৰ সময়ত কেনেকৈ বাইবেলৰ গল্পবোৰ কব পাৰি, বুজাওঁক। গল্পবোৰ গীত, নাটক, পদ্য আৰু ছবিৰে প্ৰদৰ্শন কৰিবলৈ দিয়ক। ছবি আঁকিব পৰা বিশ্বাসীসকলে ছবিৰে গল্পবোৰ বৰ্ণনা কৰক।

**৩। হবলগীয়া উপাসনাৰ আঁচনি সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

সেই সময়ত খাপ খুউৱাকৈ আৰু স্থানীয় ৰীতিমতে বিষয়বোৰ বাচি লওঁক।

আপুনি অধ্যয়ন কৰা এটা বা তাতকৈ অধিক যীচুৰ দৃষ্টান্তবোৰ **কওঁক** অথবা নাটকৰ দ্বাৰা পৰিৱেশন কৰক। আজি আপোনাৰ সমাজত তেনে ঘটনাবোৰ ঘটিলে কেনেকৈ সেই গল্পবোৰ কব পাৰি সেই কথা চিন্তা কৰাত লোকবিলাকক সহায় কৰক।

প্ৰথম খণ্ডত (ওপৰত) পোৱা বিষয়বোৰৰ **প্ৰশ্ন কৰক ঃ**

যীচুৱে কিদৰে তেওঁৰ কাহিনীবোৰত ঈশ্বৰৰ বিষয়ে সত্যতাবোৰ প্ৰকাশ কৰিছিল **বৰ্ণনা কৰক**।

**প্ৰভুৰ ভোজ** স্থাপন কৰিবলৈ মথি ২৫:১-১৩ পদত থকা এখন বিয়াৰ ভোজলৈ যোৱা সুবুদ্ধি আৰু নিৰ্বুদ্ধি কন্যাৰ বিষয়ে যীচুৱে কোৱা গল্পটি ব্যৱহাৰ কৰক। ব্যাখা কৰক যে প্ৰভু ভোজে আমাক যীচুৰ লগত হব লগা বিয়াৰ মহাভোজৰ সোৱাদ দিয়ে যি স্বৰ্গত আমালৈ পুৰস্কাৰ হব।

**ল'ৰা-ছোৱালীয়ে** প্ৰস্তুত কৰা নাটক, পদ্য আৰু প্ৰশ্নবোৰ পৰিৱেশন কৰিবলৈ দিয়ক।

ঈশ্বৰে কেনেকৈ বাইবেলৰ গল্পবোৰ ঈশ্বৰৰ সত্যতা প্ৰকাশত ব্যৱহাৰ কৰিলে, আৰু আন লোকক শুভবাৰ্তা দিয়াত সহায় কৰিলে সেই বিষয়ে কোনো কোনো বিশ্বাসী লোকক **সাক্ষ্য দিবলৈ দিয়ক**।

প্ৰাৰ্থনা আৰু পৰস্পৰে পৰামৰ্শ লবলৈ **দুই বা তিনি জনীয়া দল** গঠন কৰক। আৰু যীচুৱে কোৱা গল্পবোৰ শিকি আনক কোৱাৰ আঁচনি কৰি সিদ্ধান্ত কৰক।

সকলোৱে একেলগে যোহন ৮:১২ পদ **মুখস্থ কৰক**।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net